# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 18-07-2025
**Time :** 21-25  Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::

অসম মন্ত্ৰীসভাই ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ৩৫৭ কোটি টকা ব্যয় সাপেক্ষে শিক্ষকৰ আবাসগৃহ আৰু ছাত্ৰাবাস নিৰ্মাণৰ প্ৰকল্পত অনুমোদন জনাইছে। ৮৫ হাজাৰ ৫০৯ বৰ্গ মিটাৰ এলেকাজুৰি নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পৰ জৰিয়তে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অতিৰিক্ত সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই প্ৰকল্পৰ অধীনত অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক, তৃতীয়বৰ্গৰ কৰ্মচাৰী তথা নাৰ্ছসকলৰ আবাস গৃহ, চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ছাত্ৰাবাস আৰু ছাত্ৰী নিবাস, জি এন এম হোষ্টেল, ডাইনিং ব্লক, কমিউনিটি হল আদি নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত আজি মিছন বসুন্ধৰাৰ অধীনত ভূমি আৱণ্টন, এটি কলি দুটি পাত আঁচনিত বিত্তীয় অনুমোদনকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ৰাজ্য চৰকাৰৰ ৩৩৬ টা আন্তঃগাঁথনিমূলক প্ৰকল্প, নিগম আৰু পৰিষদৰ ৪৫ টা আন্তঃগাঁথনিমূলক প্ৰকল্প আৰু তিনি হাজাৰ ২৪৭ টা অব্যক্তিগত ন্যায়িক প্ৰতিষ্ঠান তথা ২৮ টা কেন্দ্ৰীয় চৰকাৰৰ বিভাগ আৰু সংস্থাকে ধৰি চাৰি হাজাৰতকৈও অধিক আন্তঃগাঁথনিমূলক প্ৰকল্পৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনোৱা হয়।

ইপিনে, এটি কলি দুটি পাত আঁচনি ৰূপায়ণৰ বাবে ৩৪২ কোটি টকাৰ বিত্তীয় আৱণ্টনটো মন্ত্ৰীসভাই অনুমোদন জনায়। এই আঁচনিৰ অধীনত যোগ্য বিবেচিত চাহ বাগিচাৰ প্ৰায় সাত লাখ শ্ৰমিক আৰু কৰ্মচাৰীক পাঁচ হাজাৰ টকাৰ একক কিস্তিত এই ধন বিতৰণ কৰা হ'ব। দ্বিতীয় এডভাণ্টেজ আছামত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতি অনুসৰি মন্ত্ৰীসভাই লগতে গুৱাহাটীৰ সৰু সজাইত ৫০০ খন বিচনাযুক্ত মেদান্ত চিকিৎসালয়, ১০০ খন বিচনাযুক্ত মহিলা আৰু শিশু চিকিৎসালয় আৰু পঞ্চতাৰকাযুক্ত লেমন ট্ৰী হোটেল নিৰ্মাণৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনায়। ৮০০ কোটি টকা ব্যয় সাপেক্ষে এই প্ৰকল্প তিনিটা নিৰ্মাণ কৰা হ'ব আৰু ইয়াৰ জৰিয়তে স্থানীয় যুৱক-যুৱতীসকলৰ বাবে প্ৰায় দুহেজাৰ ৭০০ নিয়োগ সৃষ্টি হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। মন্ত্ৰীসভাৰ বৈঠকত ৰাষ্ট্ৰীয় প্ৰতিবন্ধী অধ্যয়ন বিশ্ববিদ্যালয় স্থাপনৰ বাবে সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰ্যালয়ক ভূমি আৱণ্টন আৰু প্ৰিমীয়াম ৰেহাইৰ ক্ষেত্ৰত অনুমোদন জনোৱা হয়।

০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত জাপানীজ এনকেফেলাইটিজ ৰোগত আক্ৰান্ত হৈ ২১ জন ৰোগীয়ে মৃত্যুক সাৱতি লৈছে। বৰ্তমানলৈকে হাস্পতালখনত ৭০ জন লোকক চিকিৎসালয়খনত ভৰ্তি কৰোৱা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ অচ্যুত বৈশ্যই জনোৱা মতে বৰ্তমান চিকিৎসালয়খনত ২৯ গৰাকী ৰোগী চিকিৎসাধীন হৈ আছে।

০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ প্ৰতিখন গাঁৱকে মাদক দ্ৰব্য মুক্ত কৰি ৰখাৰ বাবে জিলা প্ৰশাসনে সমাজ কল্যাণ বিভাগৰ সহযোগত ৫১ টা মাতৃগোট গঠন কৰিছে। জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাৰ উদ্যোগত এই মাতৃগোটসমূহক কালিৰে পৰা দুদিনীয়া বিশেষ প্ৰশিক্ষণ প্ৰদান কৰা হয়। মাতৃসকলক গাঁৱে গাঁৱে গৈ মাদকদ্ৰব্যৰ অপকাৰিতা সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰি নিজৰ গাঁওসমূহক মাদকদ্ৰব্যৰ পৰা মুক্ত কৰি ৰখাৰ সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। আজি মাতৃগোটৰ প্ৰশিক্ষণৰ সামৰণিৰ দিনা জিলা প্ৰশাসন আৰু সমাজ কল্যাণ বিভাগে ৫১ টা গোটৰ ৫১০ গৰাকী সদস্যাক লৈ সজাগতামূলক সমদল উলিয়ায়। মাদকদ্ৰব্য মুক্ত এখন সমাজ গঢ়াৰ পৰিকল্পনাৰে তেওঁলোকে বিভিন্ন শ্লোগান দি জনসাধাৰণক সজাগ কৰাৰ প্ৰয়াস কৰে।

০০০০

জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ পৃষ্ঠ পোষকতাত অসম জনজাতি আৰু অনুসূচীত জাতি গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত মাজুলী মহাবিদ্যালয়ত আজিৰে পৰা দুদিনীয়াকৈ **মাজুলীৰ জনজাতি সমাজত মৎস্য পালন আৰু শুকান মাছৰ সংৰক্ষণ** শীৰ্ষক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভগৱান বীৰচামুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি জনজাতীয় গৌৰৱ বৰ্ষৰ অংশ হিচাপে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জিলাখনৰ অৰ্ধশতাধিক মীন পালকে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড০ ব্ৰজেন চন্দ্ৰ নেওগে স্বাৱলম্বনৰ উপায় হিচাপে মৎস্য পালন আৰু শুকান মাছ সংৰক্ষণৰ গুৰুত্ব সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

০০০০

হোজাই জিলা আইন সেৱা প্ৰাধিকৰণৰ সহযোগত আৰু জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত হোজাইৰ ভালুকমাৰী উচ্চতৰ মাধ্যমিক প্ৰাঙ্গনত আজি বাল্য বিবাহ আৰু ড্ৰাগছ সেৱনৰ বিৰুদ্ধে সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হয়। সভাত জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব মেৰেলিন হাজৰিকা মুখ্য বক্তা হিচাপে উপস্থিত থাকে। ভাষণ প্ৰসংগত তেওঁ ছাত্ৰ-ছাত্ৰী সকলক বাল্য বিবাহ আৰু ড্ৰাগছৰ বিৰুদ্ধে কেনেদৰে জনসচেতনতা বৃদ্ধি কৰিব পাৰি সেই সন্দৰ্ভত পৰামৰ্শ আগবঢ়ায়।

০০০০

অসম প্ৰকাশন পৰিষদে চানমাৰীত থকা অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত আয়োজন কৰা গুৱাহাটী শিশু মহোৎসৱত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন কলা সংস্কৃতিৰ কৰ্মশালা অনুষ্ঠিত হৈ আহিছে। আজি নৱম দিনা পুৱা দহ বজাৰ পৰা আৰতি হাজৰিকাৰ যোগাসনৰ প্ৰশিক্ষণেৰে শিশু মহোৎসৱৰ আৰম্ভণি হয়। যোগাভ্যাসৰ পাছত শিশু আৰু ছেমনীয়াসকলে নাটক, মুকাভিনয়, সুকুমাৰ কলাৰ কৰ্মশালাত অংশগ্ৰহণ কৰে। বিয়লি চাৰে তিনি বজাৰ পৰা আয়োজন হোৱা এক বিশেষ অনুষ্ঠানত ৰাষ্ট্ৰসংঘৰ পৰিৱেশ পৰ্যবেক্ষক, পৰীক্ষাত অভিযাত্ৰী ৰিতুৰাজ ফুকনে ছাত্ৰ-ছাত্ৰীসকলক তেওঁৰ ৰোমাঞ্চকৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰে। বিশেষকৈ এণ্টাৰ্কটিকাৰ অভিযাত্ৰী হোৱাৰ সময়ত আহৰণ কৰা বিভিন্ন অভিজ্ঞতা তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ আগত কয়। সেই ভ্ৰমণৰ বিভিন্ন তথ্য, ছবি আৰু দৃশ্য প্ৰদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীসকলক জৈৱ বৈচিত্ৰ, গোলকীয় উষ্ণতা আৰু জলবায়ু পৰিৱৰ্তনৰ বিষয়ে বৰ্ণনা কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ